অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ শনিবাৰ, ২৯ আগষ্ট, ২০২৬/১১ ভাদ, ১৯৪৮ শক

## কৃত্ৰিম বুদ্ধিমত্তা আজিৰ যুগৰ আকৰ্ষণীয় আৱিষ্কাৰ ঃ শিক্ষা মন্ত্ৰী ডাঃ পেগু

# দিছপুৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



### আলোচনী বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰেৰণা' উন্মোচন ঃ বিভিন্ন শিতানত কৃতী শিক্ষাৰ্থীক বঁটা প্ৰদান

প্ৰতিদিন বিশেষ সেৱা, গুৱাহাটী, ২৮ আগষ্ট ঃ গুৱাহাটী মহানগৰৰ আগশাৰীৰ শিক্ষানুষ্ঠান দিছপুৰ মহাবিদ্যালয়ৰ ৪৮ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। পুৱা ৯.৩০ বজাত মহাবিদ্যালয়খনৰ পতাকা উত্তোলন কৰে অধ্যক্ষ ড° নৱজ্যোতি বৰাই। ইয়াৰ পিচতে উপাধ্যক্ষ ইন্দ্ৰাণী চৌধুৰী মহন্তই ছহিদ তৰ্পণ কৰাৰ লগতে মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰেৰণা' উন্মোচন কৰে। অসমীয়া বিভাগৰ অধ্যাপিকা মালবিকা ভট্টাচাৰ্যই আঁত ধৰা মুকলি সভাত অসম চৰকাৰৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাস আৰু ■ ১২ পৃষ্ঠাত

# দিছপুৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস

অধ্যক্ষ ড° নৱজ্যোতি বৰাই মুখ্য অতিথিৰ আসন গ্ৰহণ কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিবেশন কৰা সমবেত সংগীতেৰে আৰম্ভ হোৱা সভাখনত আদৰণী ভাষণ আগবঢ়াই অধ্যক্ষ ড° নৱজ্যোতি বৰাই কয়— 'আজিৰ পৰা কেইবাদশকো আগতে দিছপুৰ অঞ্চলটোত উচ্চ শিক্ষাৰ পোহৰ বিলোৱা এক মহান উদ্দেশ্যৰে কিছুমান দুৰদৰ্শী ব্যক্তিৰ প্ৰচেষ্টাত এই শিক্ষানুষ্ঠানখনৰ জন্ম হৈছিল। এটি সৰু পুলিৰ পৰা মহাবিদ্যালয়খনে আজি নাকৰ 'এ' গ্ৰেড লাভ কৰাৰ লগতে স্বায়ত্তশাসিত মহাবিদ্যালয়লৈ উত্তীৰ্ণ হৈ এক বিশাল মহীৰূহত পৰিণত হৈছে। বিগত বৰ্ষবোৰত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে কেৱল শিক্ষাক্ষেত্ৰতে নহয়, খেল-ধেমালি, সংস্কৃতি আৰু সমাজসেৱাৰ ক্ষেত্ৰতো ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ত মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে। মহাবিদ্যালয়খনৰ এই যাত্ৰাত যিসকল মহান ব্যক্তিয়ে নিজৰ শ্ৰম, ত্যাগ আৰু নিষ্ঠাৰে এই পবিত্ৰ অনুষ্ঠানটো গঢ়ি তুলিলে তেওঁলোকক আজি এই মঞ্চৰ পৰা শ্ৰদ্ধাৰে স্মৰণ কৰিছো।' প্ৰায় চাৰি হেজাৰ ছাত্ৰ-ছাত্ৰীৰে ভৰপূৰ মহাবিদ্যালয়খনৰ আন এটা চৌহদৰ ব্যৱস্থা কৰিবলৈও অধ্যক্ষগৰাকীয়ে আহ্বান জনায়। সভাত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসে ভাষণ আগবঢ়াই কয়— 'ৰূপান্তৰেহে জগত ধুনীয়া কৰে। সোণালী জয়ন্তীলৈ দুখোজ বাট থকা শিক্ষানুষ্ঠানখনে নাকৰ 'এ' গ্ৰেড লাভ কৰাৰ পৰা স্বায়ত্তশাসিত মহাবিদ্যালয়লৈ উত্তৰণ ঘটিছে।' এই দিছপুৰ মহাবিদ্যালয়ত নিজকে সফল ব্যক্তি হিচাপে গঢ়ি তুলিবলৈ তেওঁ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়।

সভাখনত শিক্ষয়িত্ৰীসকলে 'তোৰে মোৰে আলোকৰে যাত্ৰা...' গীতটি সমবেত সংগীত হিচাপে পৰিবেশন কৰে। সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয়— 'কৃত্ৰিম বুদ্ধিমত্তা আজিৰ যুগৰ আকৰ্ষণীয় আৱিষ্কাৰ। যি কাম এসময়ত মানুহৰ মগজুৱে কৰিছিল, আজিকালি সেইকাম কম্পিউটাৰ বা মেচিনে সহজে কৰিব পাৰে। আমাৰ স্মাৰ্টফোন গুগল, উইকিপেডিয়া সহায়ক আৰু বিভিন্ন এপ্লিকেচন ধনাত্মক দিশত ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰী তথা শিক্ষক সমাজ উপকৃত হ'ব পাৰে।' শিক্ষা মন্ত্ৰীগৰাকীয়ে দিছপুৰ মহাবিদ্যালয়ৰ দ্বিতীয় চৌহদৰ বাবে জনোৱা আবেদন কাৰ্যকৰীকৰণৰ আশ্বাস দিয়ে। এই অনুষ্ঠানতেই শিক্ষা মন্ত্ৰীয়ে মহাবিদ্যালয়ৰ তিনিটাকৈ ভৱন ক্ৰমে বীৰাংগনা মূলাগাভৰু ব্লক, আনন্দৰাম বৰুৱা প্ৰশাসনীয় ব্লক আৰু টাবুৰাম টাইদ ব্লক মুকলি কৰে।

প্ৰতিষ্ঠা দিৱসৰ সৈতে ৰজিতো খুৱাই স্বাধীনতা সংগ্ৰামী সোঁৱৰণী শ্ৰেষ্ঠ স্নাতক বঁটা চন্দন কলিতালৈ, সান্ত্বনা মিত্ৰ সোঁৱৰণী শ্ৰেষ্ঠ বাণিজ্য স্নাতক বঁটা তুষাৰ চাহলৈ, দ্ৰৌপদী দেৱী আগৰৱালা সোঁৱৰণী শ্ৰেষ্ঠ এন এছ এছ কেডেটৰ বঁটা হিমাশ্ৰী কাশ্যপলৈ, সত্যনাৰায়ণ আগৰৱালা সোঁৱৰণী শ্ৰেষ্ঠ এন এছ এছ বঁটা কৰণ সৰকাৰলৈ, মনোৰঞ্জন চৌধুৰী সোঁৱৰণী শ্ৰেষ্ঠ এন চি চি কেডেট বঁটা আৰিফ মুকন্দৰলৈ, প্ৰসন্ন কুমাৰ শৰ্মা সোঁৱৰণী শ্ৰেষ্ঠ এন চি চি কেডেট বঁটা মালবিকা বসুমতাৰীলৈ, শ্ৰেষ্ঠ পঢ়ুৱৈ বঁটা জয়নাথ মণ্ডললৈ, ইংৰাজী বিভাগৰ শ্ৰেষ্ঠ স্নাতক বঁটা নিতাশ্ৰী বৰালৈ, পুতুলী ডেকা সোঁৱৰণী শ্ৰেষ্ঠ স্নাতক বঁটা হৰ্ষতা গুপ্তালৈ, চাৰুপ্ৰভা সোঁৱৰণী শ্ৰেষ্ঠ ছাত্ৰী বঁটা মেঘালী চক্ৰৱৰ্তীলৈ আগবঢ়োৱা হয়। উল্লেখ্য যে প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি সন্ধিয়া মহাবিদ্যালয়ত বন্তি প্ৰজ্বলন কৰাৰ লগতে আলোকসজ্জাৰে সমগ্ৰ চৌহদ উজ্জলাই তোলা হয়।